**BUSINESS**

ৰিলায়েঞ্চ জিঅ' কোম্পানীৰ জৰিয়তে আপোনাৰ খালী ভূমিৰ ছাদত ৪জি টাৱাৰ বহুৱাওক। মাহিলি ভাৰা + অগ্ৰিম + সংস্থাপন। ৮১৩৬০০৭৪৯৮, ৮৯৮৪৬৩১৯৫৯
DA/Busi/P/CP000431/4

**PUBLIC NOTICE**

Our Society "Guwahati Lawn Tennis Association" that henceforth the new name of our Society will be "Guwahati Tennis Association" and as such all activities and communication of the Society will be under this new name only. All our members are requested to contact our Head Office.
DA/PN/P/CP000430/1

Further it is informed all the members of our Society "Guwahati Sishu Natya Vidyalaya Parichalana Samity" that the Head Office of the Society has been shifted to 4th Floor, Mime Academy, Hedayetpur, Guwahati Club, PO-Silpukhuri, Guwahati-781003. Consequently all the General Members are requested to contact our Head Office at the above new address.
DA/PN/P/CP000429/1

**ASTROLOGY/জ্যোতিষী**

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ
ও আচল ৰত্নৰ ৰাজভাণ্ডৱ ৰত্নসাগৰ জ্যোতিষ, বাস্তু, তন্ত্ৰৰ দ্বাৰা আপুনি নিজে নোকোৱাকৈ জানক আপোনাৰ ভূত, ভৱিষ্য, বৰ্তমান ও সকলো সমস্যাৰ ১০০% গেৰাণ্টীযুক্ত সমাধান। **জ্যোতিষ, বাস্তু, তন্ত্ৰ সম্ৰাট ড° ত্ৰিকাল ৰাজগুৰু,** নগাঁও, (M) 9954021556.
DA/Astro/P/CP000392/30

১০০% Guarantee সহ আপোনাৰ সমস্যা যিমানেই কঠিন বা জটিল নহওক কিয় সমাধান পাবই। মায়ং প্ৰশিক্ষিত জ্যোতিষী। D. Sarmah- 8099336044 (M)
DA/Astro/P/CP000402/30

**SITUATION VACANT**

Medical Representative, 100% job Guaranteed training for 15 days, "A.P.I.", Guwahati Club. Ph. 98540-13922/70026-58410.
SV/P/PP000028/15

Looking for In-house Managers in Guwahati. Only Retired professionals & housewives can apply. Contact: Mr RD Medhi 9387388577.
SV/P/ZC004890/8

Excellent opportunity for retired persons & ladies. Earnings - 40,000+ PF & Medical extra. B. Maral- 9864012461.
SV/P/ZC004706/1

Required Senior Accountant (1no.) and Junior Accountant (1no.) for a reputed CFA of MNC Company. Candidates must be commerce graduate and have adequate experience in Accounts up to finalization & Taxation (GST & TDS).walk-in Interview on 23rd November'2022 between 11:00 am to 04:00 pm at Hajo Road Amingaon, Guwahati-781035. Ph: 8822389177, 9678439330.
SV/NL000716/1

Wanted a PGT Chemistry Teacher at Itanagar, Arunachal Pradesh. Send your mail to nimbusschools7@gmail.com, 9436228847. Salary: 35000+.
SV/P/ZC005035/2

Walk-in-Interview on 24th November 2022 at Bosco Reach Out, Ulubari, Guwahati 781007 Time: 09.30 – 01.30 pm Eligibility: ITI Pass (Welder, Fitter, Electrician Trades). # 09394685532.
SV/............../1

SFS School, Narengi, Guwahati is introducing the Intergrated Coaching Program and CUET classes for senior secondary students. Eligible Teachers for Physics, Chemistry, Maths, Biology, and other subjects with a minimum of 5 years of coaching experience may submit their resumes at career.sfsguwahati.ac.in or career@sfsguwahati.ac.in, Ph: 7099045355.
SV/P/ZC005040/6

Big opportunity for additional earning, recognition, foreign trips, team leader position. Contact: 7002277245.
SV/P/ZC004733/8

**URGENTLY REQUIRED YOGA AND ZUMBA TRAINER AT CHANDMARI NEAR THE ASSAM TRIBUNE ATTRACTIVE SALARY CONTACT: 9957165170. EMAIL: jazzyghy@rediffmail. com.**
SV/P/NP000950/3

## জ্যেষ্ঠ নাগৰিক কৌমূদী কুমাৰ দত্তৰ মৃত্যু

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২২ নৱেম্বৰ ঃ** মহানগৰীৰ পাঞ্জাবাৰী অঞ্চলৰ জ্যেষ্ঠ বাসিন্দা কৌমূদী কুমাৰ দত্ত (৯৪)ৰ আজি বিয়লি চিকিৎসাধীন অৱস্থাত মৃত্যু ঘটে। মেঘালয় উদ্যোগ বিভাগৰ জ্যেষ্ঠ বিষয়া হিচাপে অৱসৰ গ্ৰহণ কৰা দত্তই এগৰাকী কন্যা আৰু তিনিগৰাকী নাতিক এৰি থৈ গৈছে। আজি সন্ধিয়া তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। শেষকৃত্যৰ সময়ত পাঞ্জাবাৰীৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি-সম্পাদক ক্ৰমে দল বাহাদুৰ ছেত্ৰী, ৰঞ্জিৎ সূত্ৰধৰ আৰু সদস্য মাধৱ বৰঠাকুৰ উপস্থিত থাকে। পাঞ্জাবাৰীৰ জ্যেষ্ঠ নাগৰিক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীয়ে দত্তৰ মৃত্যুত গভীৰ শোক ব্যক্ত কৰিছে আৰু শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

**SITUATION VACANT**

Healthy Engagement for RTD/ VRS persons. (Excellent earning extra). Call Sharma: 9854065740.
SV/PL000001/15

Reputed Company at Guwahati urgently requires 1. Electrician (Male) ITI Passed – salary Rs- 11000/-, Security Guard - salary Rs. 11000/- & Housekeeping staff (Male/Female) at salary Rs.8000/-, 2. Legal Executive, Law Graduate, having Computer knowledge, Salary- 12000.00. Interested Candidates may mail CV to: hrd.servicesindia@gmail.com Contact No. : 7636885369/ 6900222146.
SV/PL000020/1

Edu Envision requires faculty having sound knowledge on MS-Office, DTP, Tally ERP9. Call : 9864598734.
SV/P/ZC005045/1

Urgently required one Computer Operator + Tally with experience preferable. Please send resume group5.ss.06@gmail.com
SV/P/ZC005046/1

Retired/ housewife for Guwahati. Part/ Full time. Fixed income with Medical benefits. No sales. A. Barman. # 7896216357.
SV/P/ZC005049/8

Required : 1) HR Executive : PGDM/MBA specialization in HR/ Personnel Management. Experience 3-4 yrs with knowledge in Labour laws, Statutory Compliances (PF/ ESIC/Bonus) preferable & fluency in English/ Hindi must. 2) Project Engineer (Elect./ Inst./ Civil) : BE/ B.Tech in Elect./ Instrument/ Civil. 2-3 yrs experience preferred. 3) Site Engineer Elect./Inst. : BE/ B.Tech (Elect./ Instrument). 2-3 yrs & for Diploma Engr. 4-5 yrs experience Power Plant/ Sub Station/ Refinery preferred. 4) Safety Officer : Graduate in Science (Physics & Chemistry) or Degree or Diploma in Industrial Safety. Minimum 2 yrs experience in plant or other construction works. Knowledge of Computer & fluency in English / Hindi must for all posts. Send resume to : hradmin@nkengg.com & nkew@rediffmail.com, N.K. Engineering, Ulubari, Guwahati. 0361- 2468846/ 6003000368.
SV/P/ZC005050/1

A1 Academy 8th Mile, Khanapara Teachers required for Education, Political & Logic. Send your resume : 99548-11935 / 84860-61455 E m a i l : VKYRJ@rediffmail.com
SV/NL000718/1

Civil /Site Engineer fresh/exp Guwahati, Nagaon, Tezpur, Lanka, Accountant, Backoffice, Receptionist, Peon. 98640-69159
SV/.........../1

**PROJECT MANAGER REQUIRED FOR PRESTIGIOUS ROAD PROJECT AT MINIMUM 10 YEARS EXPERIENCE REQUIRED. PLEASE SEND CV TO anurag.khetawat@smkhetawat.com**
SV/P/ZC005048/1

**TO-LET**

A 1000 sq.ft. 1st floor house with 2 bedrooms (1 AC), dining room, 1 toilet available behind Goenka Nursing Home (IHR) @ 15,000 pm. No society fee, no water logging, Ph. 94350-45086.
TL/PL000018/1

## বোকাজানৰ পৌৰকৰ্মীয়ে পোৱা নাই ৬২ মাহে দৰমহা

# চচলত ধৰ্ণাত বহিল সদৌ অসম পৌৰ নিকায় কৰ্মচাৰী

দৈনিক অসমৰ বাতৰি



**গুৱাহাটী, ২২ নৱেম্বৰ ঃ** ৰাজ্যৰ পৌৰ কৰ্মচাৰীসকলৰ দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ দাবীত সদৌ অসম পৌৰ নিকায় কৰ্মচাৰী সন্থাৰ আহ্বান মৰ্মে আজি চচলত পৌৰ কৰ্মচাৰীসকলে প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা অহা কেইবাশ পৌৰ কৰ্মচাৰীয়ে প্ৰতিবাদী কাৰ্যসূচীত ভাগ লৈ হাতে হাতে বেনাৰ, পোষ্টাৰ, ফেষ্টুন লৈ 'পৌৰ কৰ্মচাৰীক মাহৰ শেষত দৰমহা আদায় দিয়াৰ ব্যৱস্থা কৰক', 'ষষ্ঠ অনুসূচীৰ কৰ্মচাৰীৰ দৰমহা বিত্ত বিভাগৰপৰা পোনপটীয়াকৈ দিয়াৰ ব্যৱস্থা কৰক', 'বোকাজান পৌৰ কৰ্মচাৰীৰ অনাদায় ৬২ মাহৰ দৰমহা আদায় দিয়ক', 'অৱসৰ প্ৰাপ্ত কৰ্মচাৰীৰ বকেয়া শীঘ্ৰে আদায় দিয়ক' আদি বিভিন্ন শ্ল'গানেৰে প্ৰতিবাদথলী উত্তাল কৰি তোলে। সদৌ অসম পৌৰ নিকায় কৰ্মচাৰী সন্থাই ঘাইকৈ ৰাজ্যখনৰ পৌৰ সভা ভেদে পৌৰ কৰ্মচাৰীসকলৰ বিগত ৬ মাহৰপৰা ৩৭ মাহৰ অনাদায় দৰমহা শীঘ্ৰে আদায় দিয়া, মাহৰ শেষত কৰ্মচাৰীৰ দৰমহা আদায় নিশ্চিত কৰা, ৰাজ্য চৰকাৰে বিগত বৰ্ষৰ ৩১ মে'ত জাৰি কৰা গেজেট নোটিফিকেচন আছাম মিউনিচিপাল এমপ্লয়ীজ এক্ট ২০২১'ৰ মৰ্মে ৰাজ্যখনৰ কৰ্মৰত পৌৰ কৰ্মচাৰীসকলৰ চাকৰি চৰকাৰীকৰণৰ কাৰ্যব্যৱস্থা অতিশীঘ্ৰে কাৰ্যকৰী কৰা, পৌৰ সভাসমূহত কৰ্মৰত হৰিজন আৰু চাফাই কৰ্মচাৰীসকলৰ লগতে ফিক্সড পে আৰু ঠিকাভিত্তিক নিয়োজিত কৰ্মচাৰীসকলক অতিশীঘ্ৰে নিয়মীয়াকৰণ কৰি ৰেগুলাৰ পে স্কেল আদায় দিয়া আদি ভালেকেইটা দাবী উত্থাপন কৰে। প্ৰতিবাদী কাৰ্যসূচীত সন্থাৰ বিষয়ববীয়া, সদস্যৰ লগতে কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰেও অংশগ্ৰহণ কৰে।

## অসম আৰক্ষীৰ ছয় শতাধিকলৈ পদক ঘোষণা

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২২ নৱেম্বৰ ঃ** কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ অনুমোদন মৰ্মে আজি অসম আৰক্ষীৰ বিভিন্ন পদমৰ্যাদাৰ ৫০০গৰাকী আৰক্ষীলৈ ২০২১ চনৰ আন্ত্ৰিক সুৰক্ষা সেৱা পদক, ৬০গৰাকীলৈ অতি উৎকৃষ্ট সেৱা পদক, ৬০গৰাকীলৈ উৎকৃষ্ট সেৱা পদক আগবঢ়োৱাৰ কথা ঘোষণা কৰা হৈছে। অসম আৰক্ষীৰ আই জি পি (প্ৰশাসন) নিতুল গগৈ স্বাক্ষৰিত এক জাননীযোগে এই কথা প্ৰকাশ কৰা হৈছে। পৰৱৰ্তী সময়ত পদকসমূহ প্ৰদান কৰা হ'ব।

The Govt. guideline issued by DHE, Assam vide letter No. DHE/CE/49/2021/135 dated 25.04.2022 will be followed for selection of Grade III posts instad of guideline issued vide letter no. DHE/PA/Misc/1/2016/Pt/117 dated 28.07.2022 in the advertisement published in The Assam Tribune & Dainik Asam on 20.11.2022.
**Sd/- Dr. Nityananda Kalita**
**Principal**
**Puthimari College**
**Soneswar,**
**Kamrup 781382**

**DR. B. BOROOAH CANCER INSTITUTE**
A Grant-in-Aid Institute of Department of Atomic Energy, Govt. of India And a Unit of Tata Memorial Centre (Mumbai)
Gopinath Nagar, Guwahati-781016, Assam
**NOTICE INVITING TENDER**
(NIT No. BBCI/ENG/e-NIT/ Ancillary/4861/2022, dated 22/11/2022)
E-Tender is invited by Engineering Department, BBCI on behalf of Director, TMC for "**Construction of Ancillary building in the campus of Dr. B. Boroaah Cancer Institute at Guwahati- 781016, Assam.**"
Estimated Cost Rs. 85.00 Crs.
For further details please log on to - https://tmc.gov.in, www.bbcionline.org & https://eprocure.gov.in/eprocure/app

# মাজুলী মহাবিদ্যালয়ত আলোচনা-চক্ৰ

নিজা বাতৰি দিওঁতা

**মাজুলী, ২২ নৱেম্বৰ ঃ** মাজুলী মহাবিদ্যালয়ত আজি 'উচ্চ শিক্ষা প্ৰতিষ্ঠানত গুণগত মানৰ উত্তৰণ' শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ অনুষ্ঠিত হয়। 'নাক'ৰ সহযোগত আৰু মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ উদ্যোগত অনুষ্ঠিত আলোচনা-চক্ৰখনৰ উদ্বোধনী অনুষ্ঠানত সকলোকে আদৰণি জনায় মহাবিদ্যালয়ৰ আই কিউ এ চিৰ সমন্বয়ক ড° দেৱভূষণ বৰাই। আলোচনা-চক্ৰখন উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। আলোচনা-চক্ৰত ভাষণ দি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা বিভাগৰ অধ্যাপক ড° শৰৎ চন্দ্ৰ কাকতিয়ে কয়, 'শিক্ষানুষ্ঠানৰ গুণগত মান উন্নীতকৰণৰ দিশটো প্ৰাথমিক পৰ্যায়ৰপৰাই আৰম্ভ হোৱা উচিত। প্ৰাথমিক পৰ্যায়ৰপৰা তেনে ব্যৱস্থা নকৰিলে কেৱল উচ্চ শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত গুণগত মান উন্নয়নৰ আলোচনা নিৰৰ্থক।' আলোচনা-চক্ৰৰ সমল ব্যক্তি, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক তথা বিশ্ববিদ্যালয়ৰ আই কিউ এ চিৰ সমন্বয়ক ড° কল্যাণ ভূঞাই উচ্চ শিক্ষানুষ্ঠানবোৰে 'নাক'ৰ নিৰ্দেশনা অনুযায়ী গ্ৰহণ কৰিব পৰা শ্ৰেষ্ঠ অভ্যাসসমূহৰ বিষয়ে এক তথ্যপূৰ্ণ বক্তব্য আগবঢ়ায়। ৰাজ্যৰ লগতে দেশৰ আন আন প্ৰান্তৰ প্ৰায় ৭০জনৰো অধিক অংশগ্ৰহণকাৰীয়ে অংশ লোৱা এই আলোচনা-চক্ৰত অনলাইন আৰু অফলাইনত গৱেষণা-পত্ৰ পাঠ কৰা হয়। ২০জনৰো অধিক অংশগ্ৰহণকাৰীয়ে প'ষ্টাৰ প্ৰদৰ্শন কৰি নিজৰ গৱেষণা সম্পৰ্কে আলোকপাত কৰে। মহাবিদ্যালয়খনৰ অধ্যাপিকা ড° লীমা দত্তই আঁত ধৰা অনুষ্ঠানটিত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপিকা ড° মাধৱী দেৱীয়ে।

# 'আজিৰ বাতৰি'ৰ স্বত্বাধিকাৰী ৰাজেন বৰাৰ মৃত্যু

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২২ নৱেম্বৰ ঃ** বিশিষ্ট ব্যৱসায়ী, বাতৰি কাকতৰ স্বত্বাধিকাৰী ৰাজেন বৰা (ৰাজেন্দ্ৰ প্ৰসাদ বৰা) ই গুৱাহাটীৰ এখন ব্যক্তিগত নাৰ্ছিং হোমত আজি দিনৰ ১০-৩০ বজাত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭২ বছৰ। দীৰ্ঘদিন ধৰি তেওঁ বিভিন্ন ৰোগত আক্ৰান্ত হৈ আছিল। নগাঁৱৰ দেউধৰত জন্মগ্ৰহণ কৰা ৰাজেন বৰাই নগাঁৱতেই শিক্ষা সাং কৰি কিছু বছৰ কাল নগাঁও আৰু ডিফুত চৰকাৰী চাকৰি কৰিছিল। প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ শাসনকালত তেওঁ কংগ্ৰেছত যোগদান কৰাৰ লগতে চাকৰি বাদ দি চৰকাৰী ঠিকাৰ কামত মনোনিৱেশ কৰে। যোৱা নব্বৈৰ দশকত অসমীয়া দৈনিক কাকত 'আজিৰ বাতৰি', সাপ্তাহিক 'ৰংপুৰ' আৰু 'দি নৰ্থ ইষ্ট অবজাৰভাৰ' নামৰ তিনিখন কাকতৰ জন্ম দিছিল। ৰাজশ্ৰী পাব্লিকেচনছৰ অধীনত প্ৰকাশ কৰা তিনিখন কাকত বিশেষকৈ 'আজিৰ বাতৰি'য়ে পঢ়ুৱৈ সমাজৰ মাজত বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। গুৱাহাটীত হোটেল চিলাৰায় আৰু হোটেল ইন্দিৰাজ নামৰ দুখন হোটেল আৰু দুটা চিনেমা হলৰো তেওঁ গৰাকী আছিল। যোৱা নব্বৈৰ দশকত অগপৰ হৈ থাওৱা সমষ্টিৰপৰা বিধানসভা নিৰ্বাচনত অৱতীৰ্ণ হৈছিল যদিও পৰাজিত হয়।

কিন্তু উপযুক্ত পৰিচালনাৰ অভাৱ আৰু এল অ' চি কেলেংকাৰীৰ সৈতে নাম সাঙোৰ খাই পৰাৰ পাছত ৰাজেন বৰাৰ এই ব্যৱসায়িক সাম্ৰাজ্যৰ ক্ৰমে পতন হ'বলৈ ধৰে। যোৱা দুই দশকৰো অধিক কাল তেওঁ মধুমেহ, উচ্চ ৰক্তচাপ, বৃক্কক আদি কৰি কেইবাটাও ৰোগত আক্ৰান্ত হৈ আছিল। যোৱা ১৭ অক্টোবৰত ডায়েলাইছিছৰ বাবে তেওঁক গুৱাহাটীৰ 'এক্সেল কেয়াৰ' নাৰ্ছিং হোমলৈ লৈ যোৱা অৱস্থাতে তেওঁৰ হাৰ্ট এটেক হয়। নাৰ্ছিং হোমখনতেই তেওঁ চিকিৎসাধীন হৈ থকা অৱস্থাতে আজি দিনৰ ১০-৩০ বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে।

# কৃষি পিয়লেৰে উন্নয়নৰ লক্ষ্য কেন্দ্ৰৰ

জিলাৰ বাতৰি দিওঁতা

**বৰপেটা, ২২ নৱেম্বৰ ঃ** অসমত শীঘ্ৰে আৰম্ভ হ'ব কৃষি পিয়ল-২১-২২। ইতিমধ্যে ইয়াৰ প্ৰাথমিক কাম-কাজ আৰম্ভ কৰিছে অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগে। প্ৰতি পাঁচ বছৰৰ মূৰকত কৃষি খণ্ডৰ বিভিন্ন দিশ সম্পৰ্কে কৃষি পিয়লৰ কাম কৰা হয় বুলি অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগৰ যুটীয়া সঞ্চালক জগদীশ পাঠকে জানিবলৈ দিছে। আনহাতে, ২০১৫-১৬ চনৰ পাছত এইবেলি কৃষি পিয়লৰ ডাঙৰ পাৰ্থক্যটো এয়ে যে বিগত সময়ত কাগজে-কলমে জৰীপ চলোৱা হৈছিল যদিও এইবাৰ প্ৰথমবাৰৰ বাবে ম'বাইল এপৰ জৰিয়তে জৰীপ কাৰ্য চলোৱা হ'ব। উল্লেখ্য যে কৃষি পিয়লৰ প্ৰস্তুতিক লৈ আজি বৰপেটাত অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগ, বৰপেটা কাৰ্যালয়ৰ উদ্যোগত এক প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয়। বৰপেটাৰ কৃষি বিষয়াৰ কাৰ্যালয়ৰ প্ৰশিক্ষণ কেন্দ্ৰত অনুষ্ঠিত এই কৰ্মশালা উদ্বোধন কৰে বৰপেটা জিলাৰ অতিৰিক্ত উপায়ুক্ত খনীন্দ্ৰ কুমাৰ দাসে। উদ্বোধনী ভাষণত তেওঁ কয় যে মূলতঃ ৰাজ্যৰ কৃষি খণ্ডৰ উন্নয়নৰ বাবে প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে কৃষি পিয়ল কৰি কৃষকসকলৰ সমস্যা, পদ্ধতি আদি সন্দৰ্ভত অনুসন্ধান কৰা হয়।

## অফলামুখ ঘাটৰ ফেৰী বন্ধ

এজন বাতৰি দিওঁতা

**নিমাতীঘাট, ২২ নৱেম্বৰ ঃ** অফলামুখ ঘাটৰ দুখন ফেৰীৰ চলাচল বন্ধ কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ জলস্তৰ হ্ৰাস পোৱাত এই সিদ্ধান্ত গ্ৰহণ কৰিছে আভ্যন্তৰীণ জল পৰিবহন বিভাগে। ইতিমধ্যে চৰকাৰী ফেৰী 'ৰাজলক্ষ্মী' আৰু ব্যক্তিগত ফেৰী 'প্ৰিয়ানুজ'ৰ চলাচল বন্ধ হৈ পৰিছে। এনেদৰে থাকিলে দুই-এদিনত ৰ'পেক্সৰো চলাচল বন্ধ হৈ পৰাৰ আশংকা কৰা হৈছে।

# ডিব্ৰুগড় জিলা ছাত্ৰ সন্থালৈ শ্ৰেষ্ঠ শৃংখলাবদ্ধ জিলা বঁটা

পদ্মনাথ গোহাঞিবৰুৱা ক্ষেত্ৰৰপৰা
বিদ্যুৎ মহন্ত

**২২ নৱেম্বৰ ঃ** তিনিদিনীয়া কাৰ্যসূচীৰে ১৯ নৱেম্বৰৰপৰা সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত উত্তৰ লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক খেলপথাৰত (পদ্মনাথ গোহাঞিবৰুৱা ক্ষেত্ৰ) অনুষ্ঠিত সদৌ অসম ছাত্ৰ সন্থাৰ লখিমপুৰ সাধাৰণ সভাৰ কালি নিশা সামৰণি পৰে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক কুমাৰ নাথে সভাপতিত্ব কৰা সাধাৰণ সভাখনত সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থালৈ আগবঢ়োৱা হয় শ্ৰেষ্ঠ শৃংখলাবদ্ধ জিলা বঁটা। এই বঁটাত আছে এটি ট্ৰফী আৰু মাননি। এই বঁটা আগবঢ়োৱা হৈছে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সভাত অতি সুশৃংখলাবদ্ধ হিচাপে অতি নিয়াৰিকৈ সন্থাৰ কাম-কাজসমূহ আগবঢ়াই নিয়াৰ বাবে, লগতে শিবিৰ, প্ৰতিনিধি সভা, সাধাৰণ সভা আদিত অতি সুশৃংখলাবদ্ধভাৱে নিজৰ দায়িত্ব পালন কৰাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, সভাপতি দীপাংক কুমাৰ নাথ, সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা আৰু সাংস্কৃতিক সম্পাদক তচেন ডেকাই সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি বুলবুল দত্ত আৰু সাধাৰণ সম্পাদক অৰনী কুমাৰ গগৈৰ হাতত শ্ৰেষ্ঠ শৃংখলাবদ্ধ জিলা বঁটা প্ৰদান কৰে। এই কাৰ্যসূচীত সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক বিতোপন গগৈ, কাৰ্যনিৰ্বাহক ঋতুপন গগৈ, নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰাঞ্জল প্ৰতিম গগৈ, সভাপতি ত্ৰিদিৱ শইকীয়া, সম্পাদক নিপু ভূঞা, নামৰূপ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অসীমজ্যোতি ফুকন, টিংখাং আঞ্চলিক ছাত্ৰ সন্থা, টেঙাখাত আঞ্চলিক ছাত্ৰ সন্থা আদিৰ প্ৰতিনিধি উপস্থিত থাকে।

# বঢ়মপুৰৰ গাঁৱে-ভূঞে ৰাসৰ উদ্দীপনা

নিজা বাতৰি দিওঁতা

**পুৰণিগুদাম, ২২ নৱেম্বৰ ঃ** শৰতৰ বিনীদ্ৰ ৰজনী ভক্তি ৰসেৰে পাৰ কৰিছে নগাঁও জিলাৰ বঢ়মপুৰৰ সংস্কৃতিপ্ৰেমী ভক্তিপ্ৰাণ ৰাইজে। শৰতৰ পূৰ্ণিমাৰ স্নিগ্ধ জ্যোৎস্নাই মন-প্ৰাণ পুলকিত কৰা দিনটোৰ পৰাই বঢ়মপুৰ সমষ্টিৰ গাঁৱে-ভূঞে, চুকে-কোণে এতিয়া শ্ৰীশ্ৰীকৃষ্ণ ৰাস মহোৎসৱ আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত হৈ আহিছে। বৃন্দাৱন সদৃশ নৈসৰ্গিক পৰিৱেশ ৰচনাৰে উদ্‌যাপন কৰা ৰাসথলীসমূহত অগণন সংস্কৃতিপ্ৰেমী ৰাইজে নিতৌ ভিৰ কৰা পৰিলক্ষিত হৈছে। সমষ্টিৰ প্ৰান্তে প্ৰান্তে আয়োজন কৰা ৰাসসমূহৰ সকলোতে উদ্বোধক হিচাপে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীক আমন্ত্ৰণ জনোৱা হৈছে যদিও বিধায়কগৰাকী দিল্লীত উদ্‌যাপিত হ'বলগা লাচিত দিৱসৰ কাৰ্যসূচী ৰূপায়ণৰ বিশেষ দায়িত্বত থাকিবলগা হোৱাত অনুষ্ঠানসমূহৰ উদ্বোধন তেওঁৰ প্ৰতিনিধিসকলে কৰিবলগা হৈছে। বিশেষভাৱে বিধায়কগৰাকীৰ ব্যক্তিগত সচিব বিকি বৰুৱা আৰু সমাজকৰ্মী -শিক্ষক শিৱ বৰ্মনে বিধায়কগৰাকীৰ হৈ ৰাস উৎসৱসমূহ উদ্বোধন কৰি আহিছে। তেওঁলোকে জানিবলৈ দিয়া অনুসৰি, আজিৰ দিনটোলৈকে তেওঁলোকে প্ৰায় ৪০ৰো অধিক ৰাস উৎসৱ বিধায়ক জিতু গোস্বামীৰ হৈ উদ্বোধন কৰিছে। ইয়াৰ ভিতৰত বিশেষকৈ বিগত দুটা সপ্তাহত তেওঁলোকে বঢ়মপুৰৰ ভেৰভেৰী, পোটনী সোণাৰিগাঁও, ধেনুচোঁচা, চুতীয়াগাঁও,

**৪০ৰো অধিক ৰাস মহোৎসৱৰ উদ্বোধন**

চকৰিগাঁও, দক্ষিণ নৰৈ, নামবৰ লালুংগাঁও, কামপুৰ, কঠীয়াতলী, বৰবাৰী, পুৰণিগুদাম, মিকিৰপাৰ উৰিয়াগাঁও, বনকঁঠাল গাঁও, বিষয়াচুক, কঠীয়াতলী কঁঠালগুৰি, তেঁতেলীসৰা, ঘোগৰগাঁও, ২নং ঘোগৰগাঁও, বঢ়মপুৰ কেন্দ্ৰীয় ৰাস, নৰৈ কচুপিত, হাতীগাঁও, মাজৰআটী, ভোটাইগাঁও, আটিকামপুৰ, কন্দলী, মাজপোটনী, নৰৈ চকৰিগাঁও, কঠীয়াতলী গৰুবন্ধা আদি অঞ্চলৰ ৰাস মহোৎসৱ আছে। তিৰা স্বায়ত্ত পৰিষদৰ সদস্য মদন বৰদলৈ, বঢ়মপুৰ মণ্ডল বিজেপিৰ সভানেত্ৰী নিভা শৰ্মা, সাধাৰণ সম্পাদক অলক চৌধুৰী, ভোটাই-পাঠৰিৰ মণ্ডল বিজেপিৰ সভাপতি পদ্ম বৰুৱয়ো সহযোগিতা আগবঢ়াই বিধায়কগৰাকীৰ হৈ ৰাইজৰ আমন্ত্ৰণ ৰক্ষা কৰিছে। উল্লেখ্য যে উদ্বোধনী অনুষ্ঠানত বঢ়মপুৰ সমষ্টিত বিধায়ক জিতু গোস্বামীৰ এবছৰীয়া কাৰ্যকালৰ কৰ্মসূচী, উন্নয়নৰ প্ৰতিচ্ছবি সম্বলিত 'অংগীকাৰ উন্নয়নৰ, প্ৰতিশ্ৰুতি পূৰণৰ' শীৰ্ষক এখন গ্ৰন্থ ৰাইজৰ মাজত বিতৰণ কৰা হৈছে। জানিব পৰা মতে, অহা ২৭ নৱেম্বৰত বিধায়ক জিতু গোস্বামীৰ পৃষ্ঠপোষকতাত বঢ়মপুৰ ৰাজহুৱা খেলপথাৰত প্ৰতিবছৰে অত্যাধুনিক প্ৰযুক্তিৰ জৰিয়তে এজোপা ৰাধাচূড়া গছৰ তলত বৃহৎ মঞ্চ নিৰ্মাণ কৰি দৰ্শকৰ বিপুল সমাদৰ লাভ কৰি অহা জাগৰণ সচেতন নাগৰিক মঞ্চৰ দ্বাৰা উদ্‌যাপন হ'বলগীয়া 'সমন্বয় ৰাস'ত মুখ্য অতিথি হিচাপে উপস্থিত থাকিবলগা 'প্ৰতিদিন টাইম'ৰ মুখ্য সম্পাদক নিতুমণি শইকীয়াক 'অসম গৌৰৱ' সন্মানেৰে সন্মানিত কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে।

## কাটিগড়াত নাহৰফুটুকীৰ সন্ত্ৰাস

### আহত সাত, প্ৰাথমিক বিদ্যালয় বন্ধ

নিজা বাতৰি দিওঁতা

**শিলচৰ, ২২ নৱেম্বৰ ঃ** কাছাৰ জিলাৰ কাটিগড়াৰ কালাইন ভৈৰৱপুৰৰ তাৰাপুৰত নাহৰফুটুকীৰ আতংক বিৰাজ কৰিছে। নাহৰফুটুকীৰ আক্ৰমণত সাতজন লোক আহত হৈছে। আটাইকেইজনকে কালাইন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। জানিব পৰা মতে, আজি পুৱা সাত বজাত এই ঘটনা সংঘটিত হয়। নাহৰফুটুকীৰ আতংকত অঞ্চলটোৰ প্ৰাথমিক বিদ্যালয়সমূহ বন্ধ কৰি দিয়া হৈছে। স্বাভাৱিক যাতায়াত বন্ধ কৰা হৈছে। বাঘৰ আক্ৰমণত আফতাব উদ্দিন, আতাব উদ্দিন, দিলুৱাৰ হুছেইন আৰু আছমা বেগম গুৰুতৰভাৱে আহত হৈছে। ইফালে, ঘটনাৰ পাছতে গাঁৱৰ যুৱকে হাতত লাঠী লৈ নাহৰফুটুকীটোৰ সন্ধানত ওলাই যায়। ঘটনা সন্দৰ্ভত কালাইন বন বিভাগক অৱগত কৰা হয়। গাঁওখনৰ কাষৰীয়া অঞ্চলত লুকাই আছে দুটা বাঘ। বন বিভাগৰ বিষয়াসকলে সেই স্থানত উপস্থিত হয় যদিও বাঘৰ সন্ধান উলিয়াব পৰা নাই।

১ পৃষ্ঠাৰ পৰা

# ৰাজ্য চৰকাৰৰ ন্যায়িক তদন্ত ঘোষণা

মুক্ৰ'ত সংঘটিত হোৱা হিংসাত্মক ঘটনাৰ পাছত অসম চৰকাৰে এই ঘটনাৰ ন্যায়িক তদন্ত ঘোষণা কৰিছে। মুক্ৰ'ত আৰক্ষীৰ গুলীত ছজনকৈ লোকৰ মৃত্যু হোৱা ঘটনাৰ তদন্তৰ বাবে ৰাজ্য চৰকাৰে উচ্চ ন্যায়ালয়ৰ এজন প্ৰাক্তন ন্যায়াধীশৰ অধ্যক্ষতাত আজি এখন ন্যায়িক আয়োগ গঠন কৰিছে। এই আয়োগে ঘটনা সম্পৰ্কীয় সকলো তথ্য, ঘটনাৰ কাৰণ আৰু কি পৰিস্থিতিত গুলীচালনা কৰিবলগা হ'ল সেই সকলো বিষয় সামৰি তদন্ত কৰিব। আয়োগক তিনি মাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হৈছে। ইয়াৰ লগতে উক্ত ঘটনাৰ বাবে ৰাজ্য চৰকাৰে পশ্চিম কাৰ্বি আংলং জিলাৰ আৰক্ষী অধীক্ষক ইমদাদ আলীক বদলি কৰাৰ লগতে এলানি ব্যৱস্থা গ্ৰহণ কৰিছে বুলি জনসংযোগে জনাইছে। আনহাতে, জিৰিকিন্দিং থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কাজল নাথক আৰু খেৰণি বন সংমণ্ডলৰ বন সুৰক্ষা বিষয়া চিকাৰী ইংতিক তৎকালে কাৰ্যকৰী হোৱাকৈ নিলম্বন কৰা হৈছে। লগতে ঘটনাত জড়িত থকা সকলো আৰক্ষী আৰু বন বিভাগৰ লোকক তেওঁলোকৰ সংশ্লিষ্ট ৰিজাৰ্ভত আবদ্ধ কৰা হৈছে। গুলীচালনাত নিহত ছজন লোকৰ নিকটাত্মীয়লৈ ৫ লাখ টকাকৈ এককালীন সাহায্য দিয়াৰ বাবেও চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। লগতে ৰাজ্য চৰকাৰে সমগ্ৰ ঘটনাটোৰ তদন্তৰ দায়িত্ব এটা কেন্দ্ৰীয়/স্বতন্ত্ৰ সংস্থাক অৰ্পণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইপিনে, অসম-মেঘালয়ৰ সীমাৱৰ্তী অঞ্চলত সংঘটিত হিংসাত্মক ঘটনাৰ পাছত পৰিস্থিতি অধিক অৱনতি ঘটাৰ আশংকা কৰি দুয়োখন ৰাজ্যৰ মাজত যাতায়াত নিয়ন্ত্ৰণ কৰা হৈছে। অসমৰ পৰা খানাপাৰা-যোৰাবাট হৈ মেঘালয়লৈ যোৱা অসমৰ সকলো যান-বাহন আজি যোৰাবাটৰপৰা আৰক্ষীয়ে ঘূৰাই পঠিয়ায়। কেৱল মেঘালয়ৰ যান-বাহনবোৰকহে যোৱাৰ অনুমতি দিয়া হয়। কাছাৰ জিলাৰ অসম-মেঘালয় সীমাতো অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইপিনে, আন্তঃৰাজ্যিক সীমাত সংঘটিত আজিৰ হিংসাত্মক ঘটনাৰ বাবে মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই অসম আৰক্ষীক জগৰীয়া কৰিছে। ঘটনাৰ পাছতে তেওঁ এখন সংবাদমেলত কয় যে অসম আৰক্ষী আৰু বনৰক্ষীয়ে মেঘালয়ৰ ভূমিত প্ৰৱেশ কৰি অপ্ৰৰোচিতভাৱে মেঘালয়ৰ লোকৰ ওপৰত গুলীবৰ্ষণ কৰিছিল। এই ঘটনাৰ বাবে মেঘালয় আৰক্ষীয়ে অসম আৰক্ষীৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰিছে। উল্লেখ্য যে অসম আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ মাজত হোৱা আলোচনাৰ ভিত্তিত আন্তঃৰাজ্যিক সীমাৰ ছটা অঞ্চলৰ বিবাদ নিষ্পত্তি কৰি যোৱা মাৰ্চত চুক্তি কৰা হৈছিল। বাকী ছটা অঞ্চলৰ বিবাদ নিষ্পত্তিৰ বাবে আলোচনা অব্যাহত আছে। চলিত মাহৰ শেষত পুনৰ এলানি দ্বিপাক্ষিক আলোচনা হোৱাৰ কথা আছে।

**Corrigendum**

The Govt. guideline issued by DHE, Assam vide letter No. DHE/CE/49/2021/135 dated 25.04.2022 will be followed for selection of Grade-III posts instead of guideline issued vide letter No. DHE/PA/Misc/1/2016/ Pt/117 dated 23.07.2022 in the advertisement published in The Assam Tribune & Dainik Asam on 27.08.2022.
**Principal**
**Dr Dilip Das**
**North Gauhati College**

**ADVERTISEMENT**

In pursuance of DHE letter No. DHE/HE/Misc. 117/2018/ 167 dated 15.10.2022 and Govt. Notification No. AHE.90/2022/11 dated 08.09.2022. Application are invited in the format prescried by the DHE, Assam along with complete Bio-data (must include email id & contact number) and self attested of all testimonials in accordance with required qualification of posts along with A/C payee non-refundable demand draft of Rs. 1000/- for Assistant Librarian and Laboratory Assistant and Rs. 500/- for Grade-IV/Laboratory Bearer to be drawn in favour of Principal, Tingkhong College, Payable at SBI, Tingkhong Branch (IFS code: SBIN0007327) from the eligible candidates of Indian citizens for the direct recruitment in the undermentioned sanctioned posts at Tingkhong College, Tingkhong, Dibrugarh must reach the undersigned within 15 days from the publication of this advertisement. Interview schedule (Date and Time) of Interview will be notified through college website **www.tingkhongcollege.edu.in.** No application will be accepted after the last date and incomplete application will be summarily rejected. No TA/DA admissible for appearing the Written Test/ Interview. Details of the posts and eligibility qualifications are shown below.
1.Assistant Librarian: 01 post.
2. Laboratory Assistant: 01 post (RP No. 2, (OBC/ MOBC).
3. Laboratory Bearer: 04 posts (RP No. 4 (UR), 5 (ST-P), 6 (OBC), 7 (UR).
4. Grade IV: 01 post (RP No. 3 (UR).
Required qualification: For Assistant Librarian Graduation with B.Lib, Diploma/Certificate in Computer & Working knowledge of Assamese & English Typing in MS words and Simple Excel. Working experience in provincialized college will be preferable.
For Laboratory Assistant Graduate in Arts/Commerce/ Science with diploma/ certificate course of computer operation. Working experience in provincialized college will be preferable.
For Grade IV and Laboratory bearer Class-VIII passed. Working experience in provincialized College will be preferable.
Age: Age of Candidates should not be more than 40 years as on 01.01.2022 with relaxation as per Govt. norms.
**Sd/- Dr. Mouchumi Gogoi,**
**Principal**
**Tingkhong College**
**P.O. Tingkhong,**
**Dist: Dibrugarh, Assam**
**PIN-786612**